নং ঃ ৫৭২/২০২০

**'মৈত্ৰী আঁচনি'ৰ অধীনত শুৱালকুছি আৰক্ষী থানাৰ নৱ-নিৰ্মিত ভৱন উদ্বোধন কৰিলে মুখ্যমন্ত্ৰীয়ে**

# পূৰ্বৰ চৰকাৰসমূহে দৃঢ়তাৰে পদক্ষেপ গ্ৰহণ কৰা হ'লে আজি ৰাজ্যখনৰ ৰূপৰেখাই সলনি হ'লহেতেন ঃ মুখ্যমন্ত্ৰী

## দিনে-নিশাই ৰাইজৰ সেৱাত ব্ৰতী হৈ থকা আৰক্ষী বাহিনীৰ লোকক কৰ্ম সময়ৰ ক্ষেত্ৰত সকাহ দিয়াৰ বাবে ৰাজ্য চৰকাৰে পদক্ষেপ ল'ব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২৮ আগষ্ট ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি বিত্ত, স্বাস্থ্য, শিক্ষা আৰু গড়কাপ্তানী বিভাগৰ মন্ত্ৰী তথা জালুকবাৰী সমষ্টিৰ বিধায়ক ড° হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত শুৱালকুছি আৰক্ষী থানাৰ নৱ নিৰ্মিত ভৱনৰ শুভ উদ্বোধন কৰে।

এই উপলক্ষে নৱনিৰ্মিত থানা ভৱন প্ৰাঙ্গণত অনুষ্ঠিত এক অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে ১৯৫২ চনৰ পৰা ২০১৬ চনলৈ পূৰ্বৰ চৰকাৰসমূহে আৰ্থ-সামাজিক উত্তৰণৰ বাবে দৃঢ়তাৰে পদক্ষেপ গ্ৰহণ কৰা হ'লে আজি ৰাজ্যখনৰ দৃশ্যপটেই সলনি হ'লহেতেন। বৰ্তমানৰ ৰাজ্য চৰকাৰে শাসনভাৰ গ্ৰহণ কৰিয়ে একাধিক পদক্ষেপ গ্ৰহণ কৰাৰ ফলত উন্নয়নে আজি নতুন মাত্ৰা লাভ কৰিছে। মুখ্যমন্ত্ৰীয়ে কয় যে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ দ্ৰুত বিকাশৰ ফলত আজি অপৰাধৰ পদ্ধতিসমূহ সলনি হৈছে। এই অপৰাধমূলক কাৰ্যকলাপ ৰোধ কৰাৰ বাবে আৰু আন্তঃগাঁথনি শক্তিশালী কৰি তোলাৰ উদ্দেশ্যেৰে 'মৈত্ৰী আঁচনি' ৰাজ্য চৰকাৰে গ্ৰহণ কৰিছে। অসম আৰক্ষীয়ে বিভিন্ন অপৰাধৰ ক্ষেত্ৰত অতি তৎপৰতাৰে কাৰ্যব্যৱস্থা গ্ৰহণ কৰি সফলতা অৰ্জন কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে আৰক্ষী বাহিনীৰ লোকে জনসাধাৰণৰ সেৱাৰ বাবে ২৪ ঘণ্টাই সেৱাত ব্ৰতী হৈ থাকিবলগীয়া হয়। এই বিষয়টো ৰাজ্য চৰকাৰে লক্ষ্য কৰিছে। পৰৱৰ্তী সময়ত আৰক্ষী বাহিনীৰ লোকক কৰ্মসময়ৰ ক্ষেত্ৰত সকাহ দিয়াৰ বাবে ৰাজ্য চৰকাৰে পদক্ষেপ ল'ব বুলি তেওঁ কয়।

মুখ্যমন্ত্ৰীয়ে কয় যে সময়ৰ পৰিৱৰ্তনৰ লগে লগে নতুন প্ৰত্যাহ্বান আহিছে। আৰক্ষীয়ে ইয়াৰ যোগ্য প্ৰত্যুত্তৰ দিব লাগিব। 'মৈত্ৰী আঁচনি'ৰ জৰিয়তে আৰক্ষীক ৰাইজৰ বন্ধু হিচাপে গঢ় দিব বিচৰা হৈছে। জনসাধাৰণৰ জীৱন আৰু সম্পত্তি সুৰক্ষাৰ বাবে উৎসৰ্গিত মনোভাবেৰে কাম কৰিব লাগিব। আৰক্ষীৰ উপস্থিতিত জনসাধাৰণে নিৰাপত্তা অনুভৱ কৰিব লাগিব। তেওঁ কয় যে দিনক-দিনে ৰাইজৰ আৰক্ষীৰ ওপৰত আস্থা বৃদ্ধি পাইছে। সেই বাবে গোচৰৰ সংখ্যাও বৃদ্ধি পাইছে। কভিড-১৯ ৰ সময়ত আৰক্ষীয়ে জনসেৱাৰ উৎকৃষ্ট নিদৰ্শন দেখুৱাইছে। চাইবাৰ ক্ৰাইম ৰোধৰ বাবে চৰকাৰে পদক্ষেপ গ্ৰহণ কৰাৰ বাবে দক্ষতা বৃদ্ধি পাইছে। মুখ্যমন্ত্ৰীয়ে কয় যে ড° হিমন্ত বিশ্ব শৰ্মাৰ দৃঢ় পদক্ষেপৰ বাবে জালুকবাৰী সমষ্টি

ৰাজ্যৰ ভিতৰতে সফল সমষ্টি হিচাপে পৰিগণিত হৈছে। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে ৰাজ্যৰ উন্নয়নৰ আলোকপাত কৰি ৮ খন নতুন চিকিৎসা মহাবিদ্যালয়, এইমছ নিৰ্মাণৰ লেখীয়া পদক্ষেপৰ বিষয়েও কয়।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি বিত্ত, স্বাস্থ্য ইত্যাদি বিভাগৰ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে আন্তঃগাঁথনি শক্তিশালীকৰণ আৰু প্ৰযুক্তিৰ সমাহাৰেৰে আৰক্ষীয়ে নতুন ৰূপত আত্মপ্ৰকাশ কৰিছে। সন্ত্ৰাসবাদী কাৰ্যকলাপ মোকাবিলা কৰাৰ ক্ষেত্ৰত আৰক্ষীয়ে দক্ষতাৰ পৰিচয় দিয়াৰ কথা উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে বৰ্তমানৰ ৰাজ্য চৰকাৰে জনসাধাৰণ আৰু আৰক্ষীৰ মাজত সু-সম্পৰ্ক গঢ়ি তোলাৰ লক্ষ্যৰে কাম কৰি আহিছে। আৰক্ষীৰ প্ৰতি মানুহৰ ধাৰণা সলনি হৈছে। ‘মৈত্ৰী আঁচনি’ হৈছে আৰক্ষী বিভাগৰ অচল অৱস্থাৰ বিপৰীতে এক সংস্কাৰ। লকডাউনৰ সময়ছোৱাত দুখীয়া-আৰ্তজনলৈ সহায়, প্লাজমা দান ইত্যাদিৰ বিষয়েও মন্ত্ৰীগৰাকীয়ে ভাষণ প্ৰসংগত উল্লেখ কৰে।

কামৰূপ জিলাৰ আৰক্ষী অধীক্ষক পাৰ্থ সাৰথি মহন্তই আদৰণী ভাষণ দিয়া অনুষ্ঠানত অতিৰিক্ত আৰক্ষী সঞ্চালক প্ৰধান (আইন-শৃংখলা) জি পি সিঙেও ভাষণ দিয়ে। অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ আইন উপদেষ্টা শান্তনু ভৰালী, অসম আৰক্ষী গৃহ নিৰ্মাণ নিগমৰ পৰিচালন সঞ্চালক অৰবিন্দ কলিতা, ডি আই জি ব্ৰজেনজিত সিন্‌হা, উপায়ুক্ত কৈলাস কাৰ্তিক প্ৰমুখ্যে গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

**পুঃডেঃ**
**২৮/০৮/২০২০**